# খোতবা জুমা

**ছৈয়দেনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২০২১ চনৰ ৩০ এপ্রিলত মছজিদ মোবাৰক ইছলামাবাদ (বৃটেইন)ত প্রদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

**মাহে ৰমজান আল-মোবাৰক আৰু ইয়াৰ অন্যতম দিন দহটাৰ গুৰুত্ব সম্পৰ্কে দৰূদ চৰিফ আৰু তওবা,ইস্তেগফাৰৰ কল্যাণ বৰ্ণনা আৰু ইয়াৰ তন্ময় তপ-জপৰ শিক্ষা বৰ্ণনা**

أَشْهَدُ أَنْ لَا إِلَٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ ۔ بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ ۔ الرَّحْمٰنِ الرَّحِيْمِ ۔ مٰلِكِ يَوْمِ الدِّيْنِ ۔ اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ ۔ صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ ۔

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ) য়ে কয় যে আজি আমি আল্লাহ তা'লাৰ অশেষ কৃপাত ৰমজান মাহৰ দিনবোৰ অতিক্রম কৰি আছো আৰু এই মাহটোৰ শেষৰ দহ দিনলৈ প্রৱেশ কৰিবৰ হলেই। যি দিন কেইটাৰ সম্পৰ্কে আঁ-হজৰত (ছাঃ)য়ে কৈছে যে আল্লাহ তা'লাই এই দহটা দিনত (ৰোজাদাৰক) জাহান্নামৰ পৰা মুক্তি দিয়ে। গতিকে আমি সকলোৱে এই দিন কেইটাত একাগ্রচিত্তে নিজৰ ইবাদত সুন্দৰ ভাৱে কৰিবলৈ,দৰূদ আৰু তওবা আৰু ইস্তেগফাৰ লগতে বান্দাৰ অধিকাৰ প্রদানৰ প্রতি অতিকৈ মনোযোগ দিব লাগিব। ৰমজান মাহৰ শেষৰ এই দহটা দিনত আঁ-হজৰত (ছাঃ)য়ে নিজৰ ইবাদতত ইমানেই তন্ময় হৈছিল যে যি অৱস্থা ইয়াৰ বাহিৰে আৰু কেতিয়াও (বছৰত) দেখিবলৈ) পোৱা নগৈছিল। আঁ-হজৰত (ছাঃ)মোমিন সকলৰ আগত এক আদৰ্শ স্বৰূপ; গতিকে আমি নিজৰ নিজৰ শক্তি অনুযায়ী এই শীৰ্ষতম মানদণ্ডলৈ ঢুকি পোৱাৰ চেষ্টা কৰা উচিত। আমাৰ বাবে উচিত হ'ব যে এই দিন কেইটাত আমি যেন বিশেষ ভাৱে দোৱাৰ মাজত নিমগ্ন থাকো, আৰু আহমদী সকলে অৱশ্যই এই ফালে বিশেষ ভাবে মনোযোগ দিয়াৰ প্রয়োজন আছে। পাকিস্তানত আৰু অন্যান্য দেশবোৰতও জমাতৰ বিৰুদ্ধে বিভিন্ন ধৰণৰ অপচেষ্টা চলোৱা হৈ আছে। আল্লাহ তা'লাই আমাক সেইবোৰ অপচেষ্টাৰ পৰা ৰক্ষা কৰক। এনেদৰে বৰ্তমানে যি মহামাৰী বিয়পি পৰিছে তাৰ পৰাও যেন আল্লাহ তা'লাই আমাক নিৰাপদ ৰাখে। আমিন-

আমাৰ এয়া বৰ সৌভাগ্য যে আল্লাহ তা'লাই আমাক আঁ-হুজুৰ (ছাঃ)আৰু আকৌ বৰ্তমান যুগত তেখেত (ছাঃ)ৰ সত্য প্ৰাণ দাস হজৰত মছীহ মাওউদ (আঃ)ৰ জৰিয়তে কবুলিয়তে দোৱাৰ পন্থা শিকাইছে। আল্লাহ তা'লাৰ অসীমিত প্ৰশংসাৰ সৈতে আঁ-হজৰত (ছাঃ)ৰ প্ৰতি দৰূদ প্ৰেৰণ কৰাটো কবুলিয়তে দোৱাৰ বাবে অতি প্রয়োজনীয়,নহলে দোৱাসমূহ আচমান আৰু জমিনৰ মধ্যৱৰ্তী স্থানত ওলমি থাকি যায়। আঁ-হজৰত (ছাঃ)য়ে কৈছে যে মোলৈ দৰূদ প্ৰেৰণ কৰিবা, তোমালোকৰ দৰূদ পাঠ কৰাটো তোমালোকৰেই পৰিত্ৰতা আৰু উন্নতিৰ একমাত্র মাধ্যম। যিজন ব্যক্তিয়ে একাগ্রচিত্তে মোৰ ওপৰত দৰূদ পাঠ কৰিব,তাৰ ওপৰত আল্লাহ তা'লাই দহবাৰ দৰূদ পঠোৱাব আৰু

তাক দহটা মোকামৰ উন্নতিমূখী দৰজালৈ আৰোহণ কৰাব।

আমি যিসকলে এই বিষয়ৰ দাবীদাৰ যে আমি হজৰত মছীহ মাওউদ (আঃ)ৰ জৰিয়তে আঁ-হজৰত (ছাঃ)ৰ মোকাম আৰু পদমৰ্যাদা সম্পৰ্কে জ্ঞান লাভ কৰিছোঁ, সেই সকলৰ বাবে এয়া ফৰজ হৈ পৰিছে যে তেওঁলোকে যেন দৰূদৰ মৰ্ম বুজি পায় আৰু কেৱল এই কাৰণত যেন দৰূদ পাঠ নকৰে যে এনেদৰে কৰিলে আল্লাহ তা'লাই আমাৰ দোৱা শুনিব। বৰং দৰূদ এই কাৰণেই পাঠ কৰিব লাগিব যাতে এক চিৰস্থায়ী পৱিত্ৰতা আমাৰ জীৱনৰ এক অংশ হৈ পৰে। হজৰত মছীহ মাওউদ (আঃ)য়ে নিজৰ ইলহাম **ছাল্লে আলা মুহাম্মাদিও ওৱা আলে মুহাম্মাদিন ছায়িদি ওলদে আদামা ওৱা খাতামিন নাবিয়িন** ৰ বিষয়ে ব্যাখ্যা কৰোঁতে কৈছে যে এই কথা খিনিয়ে এয়া স্পষ্ট ভাৱে ইঙ্গিত বহন কৰে যে সকলো ধৰণৰ মৰ্যাদা আৰু মহানতা আৰু মেহেৰবাণী আদি তাৰ জৰিয়তে আৰু তাক ভাল পালেহে লাভ কৰিব পৰা যায়। ছুবহানাল্লাহ দু জাহানৰ বাদছাহৰ হুজৰাতে অহেদিয়তত কিমানেই উচ্চ মৰ্যাদা সম্পন্ন স্থান যে তাৰ প্ৰেমিকেই খোদা তা'লাৰ প্ৰেমাস্পদ আৰু তাৰ সেৱকেই এখন জগতৰ সন্মানৰ অধিপতি হৈ পৰে। হজৰত মছীহ মাওউদ (আঃ) আঁ-হজৰত (ছাঃ)ৰ দাসত্বৰ অধীনত আহিবলগীয়া সেই উম্মতি নবী,যাক আঁহুজুৰ (ছাঃ)ৰ নাম জগত ব্যাপি প্ৰচাৰ কৰিবলৈ প্ৰেৰণ কৰা হৈছে। গতিকে আজি জগত ব্যাপি তেখেত (আঃ)ৰ মোকাম আৰু মৰ্যাদা স্থাপিত হৈছে, সেয়া একমাত্ৰ আঁ-হজৰত (ছাঃ)ৰ দাসত্ব কৰাৰ কাৰণেহে স্থাপন হৈছে। হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে এদিন ৰাতি মই অধমে বেছি বেছিকৈ দৰূদ চৰিফ পাঠ কৰাত মন-প্ৰাণ কিবা আনন্দই যেন ভৰি পৰিছিল। সেইদিনা ৰাতিয়েই সপোনত দেখা পালো যে ফিৰিস্তাই প্ৰজ্বলিত বিকিৰণ এই অধমৰ ঘৰত লৈ আনিছে আৰু তাৰে মাজৰ এজন ফিৰিস্তাই কৈছে যে এয়া তোমাৰ বাবে সেই কল্যাণ যি তুমি মহম্মদ (ছাঃ)ৰ প্ৰতি প্ৰেৰণ কৰিছিল।

আমি সেইজন মছীহ আৰু মাহদীৰ মান্যকাৰী, যাৰ সম্পৰ্কে আচমানত ফিৰিস্তা সকলেও কৈছিল যে **হাজা ৰাজুলুন ইউহিব্বু ৰাছুলাল্লাহ**। হুজুৰ (আঃ)য়ে কৈছে- যে এই বাক্যৰ গূঢ়াৰ্থ হ'ল এয়া যে এক মহান চৰ্ত সাপেক্ষে এই পদ অৰ্থাৎ মহিৰ (আল্লাহ তা'লাৰ) প্ৰেমাস্পদ হ'ল ৰছুল (ছাঃ)। গতিকে আমি যি সকলে সেইজনা মহিৰ মিচন আগবঢ়াই লৈ যোৱাৰ শপত গ্ৰহণ কৰিছোঁ, আমাৰ বাবে ফৰজ হ'ল যে আমি আঁ-হজৰত (ছাঃ)ৰ ওপৰত দৰূদ ও ছালাম প্ৰেৰণৰ ধাৰাবাহিকতা অবিচল ৰাখি যেন মছীহ ও মেহেদীৰ সহায় কৰোঁতা হওঁ। আমি আহমদী সকলে কান্ধত বৰ ডাঙৰ দায়িত্বৰ বোজা বহন কৰিবলৈ ওলাইছো; গতিকে আমি যদি কিয়ামতলৈকে এই সমূহ বঁটা আৰু কৃপাৰ অংশীদাৰ হ'ব বিচাৰো তেন্তে আমি আঁ-হজৰত (ছাঃ)ৰ ওপৰত দৰূদ আৰু ছালাম প্ৰেৰণ কৰি থাকিব লাগিব। তেন্তে আমি দেখিবলৈ পাম যে কেনেকৈ শত্ৰুৰ ষড়যন্ত্ৰ আৰু সিহঁতৰ আক্ৰমণ আল্লাহ তা'লাৰ কৃপাত প্ৰতিহত আৰু ধ্বংস হৈ যায়।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে ছালাত (নমাজ) মানে হ'ল এক দোৱা, আৰু আল্লাহুম্মা ছাল্লি ৰ অৰ্থ হয় এয়া যে হে আল্লাহ ! তুমি ৰছুলে কৰিম (ছাঃ)ৰ বাবে দোৱা কৰা। যেতিয়া আমি খোদা তা'লাৰ বিষয়ে ক'ম যে সি দোৱা কৰে, তেতিয়া তাৰ অৰ্থ ওলাব এয়া যে সি তাৰ সৃষ্টি জীৱ আৰু সৃষ্টি কৰা সকলো বস্তুকেই কৈ আছে যে মোৰ ভৃত্যক সহায় কৰা। গতিকে আল্লাহুম্মা ছাল্লি ৰ অৰ্থ ওলায় গৈ যে হে আল্লাহ ! তুমি প্ৰত্যেক নেকি আৰু কল্যাণ ৰছুলুল্লাহ (ছাঃ)ৰ নিমিত্তে ৰূজু কৰা। আনহাতে আল্লাহুম্মা বাৰিক শব্দৰ অৰ্থ এয়া ওলায় যে হে আল্লাহ! তুমি নবী কৰিম (ছাঃ)ৰ নিমিত্তে তোমাৰ ৰহমত (দয়া),কৃপা আৰু পুৰস্কাৰ ইমানেই বঢ়াই দিয়া যে গোটা ব্ৰহ্মাণ্ডৰ ৰহমত আৰু কল্যাণ তেখেত (ছাঃ)ৰ ওপৰত যেন জমা হৈ যায়। গতিকে যেতিয়া আমি অন্তৰৰ অন্তস্থলত বেদনা সিক্ত হৈ হুজুৰ (ছাঃ)ৰ দ্বীনৰ উন্নতি কল্পে দোৱা কৰিম তেতিয়া খোদা তা'লাও আমাক সেই দোৱা আৰু

দৰূদৰ ফলস্বৰূপে কল্যাণমণ্ডিত কৰিব। কিন্তু চৰ্ত হ'ল এয়া যে আঁ-হজৰত (ছাঃ)ৰ শিক্ষাৰ ওপৰত যেন আমল কৰা হয়, হকুকুল্লাহ (আল্লাহৰ অধিকাৰ) হকুকুল ইবাদ (ভৃত্যৰ অধিকাৰ) আদায় কৰাৰ প্ৰতি যেন মনোযোগ থাকে। প্ৰকৃত অংশীদাৰ হোৱাৰ বাবে যি কৰণীয়া সেয়া যেন কৰোঁতা হওঁ। এনেকুৱা যেন নহয় যে আল্লাহ তা'লা আৰু তাৰ ৰছুলৰ নামত জুলুম কৰা হয়। আইন ভঙ্গ কৰি লোকৰ অসুবিধা সৃষ্টি কৰি ৰাস্তা-ঘাট বন্ধ কৰি দিয়া এনেকি ৰোগীয়ে চিকিৎসালয়লৈ যাব নোৱাৰে, এনেকুৱা অৱস্থাৰ সৃষ্টি কৰি যদি দৰূদ পাঠ কৰি কয় যে আমি ৰছুল প্ৰেমী হওঁ, আমাক একো ক'ব নোৱাৰা, তেন্তে এয়া হ'ব আল্লাহ আৰু তাৰ ৰছুলৰ আদেশৰ অবমাননা কৰা।

এই বিষয় বস্তুৰ পৰা দৰূদ চৰিফৰ গূঢ়াৰ্থ বেছি ভালদৰে বুজিব পৰা যায় যে কোৰ-আন চৰিফত মোমিন সকলক কোৱা হৈছে যে নবী কৰিম (ছাঃ)ৰ প্ৰতি দৰূদ প্ৰেৰণ কৰা। দৰূদ পাঠৰ ইমানেই গুৰুত্ব আছে যে খোদা তা'লা আৰু তাৰ ফিৰিস্তা সকলেও তেখেত (ছাঃ)ৰ ওপৰত দৰূদ পাঠ কৰে। হজৰত মছীহ মাওউদ (আঃ)য়ে চুৰাতুল আহজাবৰ ৫৭ নম্বৰ আয়াতৰ বিশ্লেষণ কৰোঁতে কৈছে যে এই আয়াতৰ পৰা এয়া প্ৰকাশ পায় যে ৰছুলে কৰিম (ছাঃ)ৰ আমল এনেকুৱা আছিল যে আল্লাহ তা'লাও তাৰ প্ৰশংসাৰ্থে নাইবা পৱিত্ৰ গুণাৱলীৰ সীমাবদ্ধতাৰ কাৰণে বিশেষ কোনো শব্দ উচ্চাৰণ কৰা নাই। বৰং ইয়াৰ অৰ্থ হ'ল আঁ-হজৰত (ছাঃ)ৰ আমলে চালেহৰ (পুণ্য কাৰ্যৰ) প্ৰশংসা অসীম আছিল। এনে ধৰণৰ আয়াত (বাক্য) বেলেগ কোনো নবীৰ সম্পৰ্কে ব্যৱহাৰ কৰা নাই। তেখেত (ছাঃ)ৰ আত্মাত সেই সততা আৰু পৱিত্ৰতা বিদ্ধমান আছিল আৰু তেখেত (ছাঃ)ৰ আমল খোদা তা'লাৰ দৃষ্টিত এনেকুৱা পছন্দনীয় আৰু ভাল লগা আছিল যে আল্লাহ তা'লাই চিৰকালৰ বাবে আদেশ দিছে যে লোকে যেন ভৱিষ্যতলৈ প্ৰশংসা কৰাৰ ক্ষেত্ৰত তেখেতৰ ওপৰত দৰূদ পাঠ কৰে। আল্লাহ তা'লা যেন আমাক এই ৰমজান মাহত আৰু পিছতও সদাসৰ্বদা দৰূদ চৰিফৰ গূঢ়াৰ্থ বুজি লৈ দৰূদ প্ৰেৰণ কৰাৰ সামৰ্থ দান কৰে।

আনহাতে আৰু এটা কথা আছে যাৰ ফালে এতিয়া মই বিশেষ ভাৱে আপোনালোকৰ মনোযোগ আকৰ্ষণ কৰিব বিচাৰিছো সেয়া হ'ল ইস্তেগফাৰ কৰা। **আস্তাগফিৰুল্লাহা ৰাববি মিন কুল্লি জামবিও ওৱা আতুবু ইলাইহি** এয়া হ'ল দোৱাৰ মাজত শীৰ্ষতম দোৱা। হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে ইস্তেগফাৰৰ আচল আৰু প্ৰকৃত অৰ্থ হ'ল এয়া যে খোদাৰ ওচৰত প্ৰাৰ্থনা কৰা যে তাৰ চৰিয়ত অনুযায়ী যেন কোনো ধৰণৰ দুৰ্বলতা আমাৰ মাজত প্ৰকাশ নহয় আৰু আমাৰ অভ্যাসক যেন তাৰ শক্তিৰ ছাঁ দিয়ে। আগফিৰু মানে ঢাকি লোৱাকে বুজোৱা হয় গতিকে ইয়াৰ বিশ্লেষণীয় অৰ্থ হ'ল যে খোদা তা'লাই তাৰ নিজৰ শক্তিৰ জৰিয়তে ইস্তেগফাৰ কৰা ব্যক্তিৰ চাৰিত্ৰিক দুৰ্বলতাক ঢাকি লয়। কিন্তু পিছত সাধাৰণ লোকৰ বাবে এই শব্দৰ অৰ্থৰ পৰিসীমা আৰু বহলাই দিয়া হৈছে, এনেকি অৰ্থ লোৱা হৈছে যে গোনাহ যিবোৰ প্ৰকাশ পাই গৈছে সেয়াও ক্ষমাৰ চাদৰেৰে ঢাকি লয়। খোদা তা'লাই মানৱক সৃজন কৰি তেওঁলোকৰ পৰা আঁতৰি যোৱা নাই,সি যেনেকৈ মানৱৰ স্ৰষ্টা ঠিক তেনেকৈয়ে মানৱৰ জীৱনী শক্তি দান কৰোঁতা অৰ্থাৎ নিজৰ আশ্ৰয়ত নিৰাপদ আৰু প্ৰতিষ্ঠিত ৰাখোতা। গতিকে **আল্লাহু লা ইলাহা ইল্লা হুৱাল হায়য়ুল কায়য়ুমু** আয়াতত এই ফালেই ইঙ্গিত প্ৰদান কৰিছে। মানৱক যেতিয়া সৃষ্টি কৰা হৈছে তেতিয়াই বনোৱা কামৰ অন্ত পৰিছে কিন্তু সজীৱনীৰ কাম সদায় আছে, সেয়ে এক চিৰস্থায়ী ইস্তেগফাৰৰ প্ৰয়োজনীয়তা সদায় আছে। আয়াত **ইয়াকানাবুদু ওৱা ইয়াকানাছতাইন** তও এই ফালেই ইঙ্গিত বহন কৰি আছে যে তোমাৰ সজীৱনী শক্তিয়ে আৰু ৰবুবিয়তে আমাক সহায় কৰক আৰু আমাক বিপদৰ পৰা পৰিত্ৰাণ দিয়ক।

বহু সংখ্যক যুৱক আৰু ল'ৰা-ছোৱালীয়ে এয়া প্ৰশ্ন কৰে যে আল্লাহ তা'লা কিমানলৈ ক্ষমা প্ৰদান কৰি থাকে। আল্লাহ তা'লা কৈছে যে মোৰ ৰহমত অপৰিসীম বিস্তৃত, ইয়াৰ কোনো সীমা নাই। কিন্তু ইয়াৰ বাবে চৰ্ত হ'ল যে

মানৱে যেন প্ৰকৃতাৰ্থে তওবা কৰোঁতা হয়। আঁ-হজৰত (ছাঃ)য়ে কৈছে যে আল্লাহ তা'লা নিজৰ বান্দাৰ তওবাৰ ওপৰত ইমানেই সন্তুষ্ট আৰু আনন্দিত হয় যে সিমান আনন্দিত সেই ব্যক্তিজনেও নহয় যিয়ে এক অভয়াৰণ্যত নিজৰ হেৰাই যোৱা উটনীক বিচাৰি পায়। আল্লাহ তা'লাই কৈছে যে যদি কোনোবাই মোৰ ফালে এক হাত আগুৱাই আহে তেন্তে মই ইয়াৰ দুগুন তাৰ-ওচৰ চাপি যাওঁ। গতিকে এতিয়া আমাৰ কাম হ'ল যে আমি নিজকে নিজে গোনাহ মুক্ত কৰাৰ বাবে আৰু কৃত গোনাহ ক্ষমা কৰোৱাৰ বাবে আল্লাহ তা'লাৰ ওচৰলৈ আগবাঢ়িব লাগিব। উক্ত ৰমজান মাহটো আল্লাহ তা'লাই বিশেষকৈ এই কামৰ নিমিত্তেই আমাক দান কৰিছে। ৰমজান মাহটো কবুলিয়তে দোৱাৰ মাহ আৰু এই মাহৰ শেষ ভাগৰ দহটা দিন মানৱক জাহান্নামৰ পৰা ৰক্ষা কৰোঁতা দিন। গতিকে আমি যদি আল্লাহ তা'লাৰ সৈতে নিজৰ সম্পৰ্ক স্থাপন কৰো আৰু যদি আমাৰ দৰূদ আৰু ইস্তেগফাৰে আল্লাহ তা'লাৰ সন্তুষ্টি অৰ্জন কৰোঁতা হয় তেন্তে শত্ৰুৱে হাজাৰ প্ৰয়াস কৰিলেও আমাৰ কোনো অনিষ্ট সাধন কৰিব নোৱাৰে। এই ৰমজান মাহত কৰা দোৱাৰ মাজত বিৰুদ্ধবাদী সকলৰ দুষ্টালিৰ পৰা ৰক্ষা পাবলৈ বহুত দোৱা কৰি থাকক। এনেদৰে ক'ৰণা মহামাৰীৰ পৰা নিৰাপদ থকাৰ বাবে দোৱা কৰক। আল্লাহ তা'লা এই মহামাৰীৰ পৰা জগতক পৰিত্ৰাণ দিয়ক লগতে আমাকও নিৰাপদ ৰাখক। আল্লাহ তা'লা আমাক প্ৰকৃত ৰঙেৰে দৰূদ আৰু ইস্তেগফাৰ কৰোঁতা বনাওঁক। আমীন-

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهُ وَنَسْتَعِيْنُهُ وَنَسْتَغْفِرُهُ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلاَ مُضِلَّ لَهُ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِيَ لَهُ وَنَشْهَدُ أَنْ لَآ اِلٰهَ اِلاَّ اللّٰهُ وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِی الْقُرْبٰی وَيَنْهٰی عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ ۔

ASSAMESE KHULASA KHUTBA JUMA HUZOOR ANWAR aba 30 APRIL 2021

**BOOK POST (PRINTED MATTER)**

TO,

........................................................................................................................

........................................................................................................................

........................................................................................................................

........................................................................................................................

........................................................................................................................

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844